যদি তোমালোকে বিচৰা তেন্তে মই তোমালোকক দিব পাৰোঁ, কিন্তু এই সম্পদত ধনী আৰু কৰ্মক্ষম ব্যক্তিৰ কোনো অংশ নাই।

উবাইদুল্লাহ ইবনু আদী ইবনুল খিয়াৰৰ দ্বাৰা বৰ্ণিত, তেওঁ কৈছেঃ মোক দুজন ব্যক্তিয়ে জনাইছে যে, তেওঁলোকে বিদায়ী হজ্জৰ দিনা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত গৈ উপস্থিত হয়, সেই সময়ত তেখেতে চাদাক্বাহ বিতৰণ কৰি আছিল। তেওঁলোকে তেখেতৰ পৰা সেই বিতৰণকৃত চাদাক্বাৰ পৰা কিছু ধন বিচাৰিলে। (তেওঁলোকে কৈছে) তেখেতে আমাৰ ফালে দৃষ্টিপাত কৰি আকৌ তলমূৰ কৰিলে। তেখেতে দেখিলে যে, আমি দুয়ো স্বাস্থ্যৱান। সেয়ে তেখেতে ক'লেঃ "যদি তোমালোকে বিচৰা তেন্তে মই তোমালোকক দিব পাৰোঁ, কিন্তু এই
সম্পদত ধনী আৰু কৰ্মক্ষম ব্যক্তিৰ কোনো অংশ নাই।" [رواه أبو داود والنسائي] [ছহীহ[

হাদীছটোত উল্লেখ হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাজ্জাতুল বিদাৰ সময়ত চাদাক্বা বিতৰণ কৰি আছিল, সেই সময়ত দুজন ব্যক্তি আহি উপস্থিত হয়, আৰু তেওঁলোকে সেই চাদাক্বাৰ পৰা অংশ বিচাৰে। তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে সিহঁতৰ ফালে দৃষ্টিপাত কৰে আৰু সিহঁতৰ অৱস্থা সম্পৰ্কে অৱগত হয় যে, সিহঁত আচলতেই চাদাক্বা খোৱাৰ উপযুক্ত হয় নে নহয়? তেখেতে দুয়োকে সক্ষম যুৱক হিচাপে দেখি ক'লেঃ যদি তোমালোকে বিচৰা তেন্তে মই তোমালোকক চাদাক্বাৰ ধন দিব পাৰোঁ, কিন্তু যিসকলৰ ওচৰত নিজৰ প্ৰয়োজন পূৰণ কৰিব পৰা ধন আছে, সিহঁতে চাদাক্বা খোৱাৰ যোগ্য নহয়। এইদৰে যিসকলে শ্ৰম কৰি আয় কৰিবলৈ সক্ষম সিহঁতৰো ইয়াত কোনো অংশ নাই। যদিও তাৰ ওচৰত ধনী বুলি গণ্য হ'ব পৰা সম্পদ নাই।

http://www.sunnah.global/hadeeth/as/show/65620